স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

নিয়মীয়া বাৰ্তা

# আজি ডিব্ৰুগড়ত জাৰ্মানীৰ কৰ্মসংস্কৃতি জীৱনবোধ শীৰ্ষক আন্তঃৰাষ্ট্ৰীয় বক্তৃতানুষ্ঠান

**বিশেষ বাৰ্তা, ডিব্ৰুগড়, ১ এপ্ৰিল ঃ** স্নেহবন্ধন, ডি এইচ এছ কানৈ মহাবিদ্যালয়ৰ বি চি এ বিভাগ আৰু এম এন চি বালিকা মহাবিদ্যালয়ৰ যুটীয়া উদ্যোগত 'জাৰ্মানীৰ কৰ্মসংস্কৃতি আৰু জীৱনবোধ' শীৰ্ষক এক আন্তঃৰাষ্ট্ৰীয় বক্তৃতানুষ্ঠান কাইলৈ সন্ধ্যা ৬.৩০ বজাত অনলাইন মাধ্যমত অনুষ্ঠিত হ'ব। সমগ্ৰ বিশ্বত সিঁচৰিত হৈ থকা অসমীয়া মানুহখিনিক একত্ৰিকৰণ কৰাৰ উদ্দেশ্যে, বিশ্বৰ বিভিন্ন প্ৰান্তত থকা প্ৰৱাসী অসমীয়াসকলে অসমৰ নতুন প্ৰজন্মক ন ন চিন্তাৰ বাট মুকলি কৰাৰ অৰ্থে এনে বক্তৃতানুষ্ঠান নিয়মীয়াকৈ অনুষ্ঠিত কৰি অহা হৈছে। কানৈ মহাবিদ্যালয়ৰ বি চি এ বিভাগৰ অধ্যাপিকা পিনাক্ষী কোঁৱৰে আঁত ধৰিবলগীয়া অনুষ্ঠানটো সঞ্চালনা কৰিব স্নেহ বন্ধনৰ উপ-সভানেত্ৰী স্কটলেণ্ড নিৱাসী নিৰলা বৰুৱাই। স্নেহ বন্ধনৰ সাধাৰণ সম্পাদক, ডি এইচ এছ কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ কৰ্মসূৰ্য ড° শশীকান্ত শইকীয়াই উদ্দেশ্য ব্যাখ্যা কৰিবলগীয়া অনুষ্ঠানটো উদ্বোধন কৰিব জাৰ্মানীৰ বিশিষ্ট আই টি বিশেষজ্ঞ শ্ৰীমন্ত ভূঞাই। জাৰ্মানীৰ নিৱাসী অসম উপস্থিত থাকি বক্তৃতা প্ৰদান কৰিবলগীয়া অনুষ্ঠানত মুখ্য বক্তাৰ পৰিচয় প্ৰদান কৰিব কানৈ মহাবিদ্যালয়ৰ বি চি এ বিভাগৰ মুৰব্বী হৰজিন্দৰ সিঙে। অনুষ্ঠানত অংশগ্ৰহণ কৰি অনুভৱ প্ৰকাশ কৰিব নেডাৰলেণ্ডৰ সৌৰভ কুমাৰ বৈদ্য, স্নেহ বন্ধনৰ উপদেষ্টা তথা ইউ এছ টি এমৰ সম উপাচাৰ্য ড° বলেন্দ্ৰ কুমাৰ দাস, স্নেহ বন্ধনৰ উপদেষ্টা, ইংলেণ্ডৰ টণ্টন নিৱাসী লাহৰী বৰঠাকুৰ, স্নেহ বন্ধনৰ সভানেত্ৰী, গ্ৰেট বৃটেইন নিৱাসী মঞ্জিৰা চৌধুৰী, স্নেহ বন্ধনৰ কাৰ্যকৰী সভাপতি, গুৱাহাটী বিশ্ববিদ্যালয়ৰ ডীন অৱ ছাইন্সতথা কানৈ মহাবিদ্যালয়ৰ শৈক্ষিক পৰামৰ্শদাতা ড° যোগেন চন্দ্ৰ কলিতা, স্নেহ বন্ধনৰ সহকাৰী সম্পাদক তথা বিশিষ্ট বিজ্ঞানী দক্ষিণ আফ্ৰিকা নিৱাসী অসম সন্তান ড° মুকুট গোহাঁই, স্নেহ বন্ধনৰ সহকাৰী সম্পাদক তথা বিশিষ্ট চিকিৎসক ছুইজাৰলেণ্ড নিৱাসী অসম সন্তান ডাঃ ডেইজী লেখাৰু আৰু এম এন চি বালিকা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° গাৰ্গী চক্ৰৱৰ্তীয়ে।